বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) সন্দৰ্ভত হজৰত মহম্মদ (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বিৱৰণ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১১ চেপ্তেম্বৰ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,
যোৱা জুমাৰ খোতবাত হজৰত মহম্মদ ছাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ আল্লাহৰ ওপৰত থকা ভৰসা বা তাৱাক্কুল সন্দৰ্ভত বৰ্ণনা কৰা হৈছিল। আজিও বিষয় একেটাই।
আল্লাহৰ ওপৰত ভৰসা কৰা সন্দৰ্ভত নবী কৰীম (ছাঃ)-এ নিজৰ বাবে কেনেদৰে দোৱা কৰিছিল, সেই বিষয়ে এটা বৰ্ণনাত উল্লেখ আছে। হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)-ৰ পৰা বৰ্ণিত আছে যে, যেতিয়া নবী (ছাঃ)-এ ৰুকুলৈ গৈছিল, তেতিয়া এই দোৱা পাঠ কৰিছিল:
“হে আল্লাহ! মই তোমাৰ বাবেই ৰুকু কৰিছোঁ, আৰু তোমাৰ ওপৰতেই ঈমান আনিছোঁ, আৰু মই নিজকে তোমাৰ ওচৰত সমৰ্পণ কৰিছোঁ, লগতে তোমাৰ ওপৰতেই ভৰসা (তাৱাক্কুল) কৰিছোঁ। তুমিয়েই মোৰ প্ৰতিপালক (ৰব)। মোৰ শ্ৰৱণ শক্তি, দৃষ্টি শক্তি, তেজ, মঙহ, হাড় আৰু স্নায়ু সেই আল্লাহৰ সন্মুখত অৱনত হৈছে, যিজন সমগ্ৰ জগতৰ প্ৰতিপালক।”
তাৰ পিছত আন এক বৰ্ণনাত হজৰত আবু হুৰায়ৰা (ৰাঃ)-এ কয় যে, নবী কৰীম ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:
“যেতিয়াই মই কোনো বিপদ বা চিন্তাত পৰিছিলোঁ, তেতিয়াই জিব্ৰাঈল (আঃ) মোৰ সন্মুখত আহি কৈছিল: হে মহম্মদ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম)! আপুনি কওক: মই সেই জীৱন্ত সত্তাৰ ওপৰত ভৰসা কৰোঁ, যাৰ কেতিয়াও মৃত্যু নহ’ব। সকলো প্ৰশংসা কেৱল আল্লাহৰ বাবেই, যিজনে কাকো নিজৰ সন্তান হিচাপে গ্ৰহণ কৰা নাই আৰু যাৰ ৰাজত্বত কোনো অংশীদাৰ নাই, আৰু তেওঁৰ কেতিয়াও এনে কোনো সংগীৰ প্ৰয়োজন হোৱা নাই যিজন দুৰ্বল অৱস্থাত তেওঁৰ সহায়ক হ’ব পাৰে। আপুনি সম্পূৰ্ণ শক্তিৰে তেওঁৰ মহিমা বৰ্ণনা কৰক।”
হুজুৰ আনোৱাৰে কয় যে, নবী কৰীম (ছাঃ)-ৰ দৃষ্টি সকলো সময়তে আল্লাহ তা’লাৰ ওপৰতেই নিবদ্ধ আছিল।
তেখেতৰ গুণৰ সৰ্বোচ্চ মানদণ্ডৰ কথা উল্লেখ কৰি হজৰত মুছলেহ মাওউদ (ৰাঃ) এ এটা ভাষণত বৰ্ণনা কৰিছে যে, ৰছুল কৰীম (ছাঃ)-ৰ আল্লাহ তা’লাৰ ওপৰত এনে গভীৰ ভৰসা আছিল যে প্ৰতিটো বিপদ আৰু অসুবিধাৰ সময়ত তেখেত কেৱল আল্লাহৰ ওপৰত দৃষ্টি ৰাখিছিল আৰু তেওঁৰ বাহিৰে আন সকলো বস্তুৰ পৰা মনোযোগ আঁতৰাই আনিছিল।

ইয়াত কোনো সন্দেহ নাই যে, তেখেত আজিকালিৰ চুফীসকলৰ দৰে উপায় বা মাধ্যম (আচবাব) ত্যাগ কৰা নাছিল। তেওঁ পাৰ্থিৱ উপায়সমূহ ব্যৱহাৰ কৰিছিল। কাৰণ উপায় ত্যাগ কৰাৰ অৰ্থ হ'ল আল্লাহ তা'লাৰ সৃষ্টিক অপমান কৰা আৰু তেওঁৰ সৃষ্টিক অৰ্থহীন বুলি গণ্য কৰা। কিন্তু সকলো উপায় আৰু মাধ্যম ব্যৱহাৰ কৰাৰ পিছত তেখেত সম্পূৰ্ণৰূপে সৰ্বশক্তিমান আল্লাহৰ ওপৰত ভৰসা কৰিছিল। যদিও তেখেত ভৌতিক উপায়সমূহ ব্যৱহাৰ কৰিছিল, তেখেত কেতিয়াও সেইবোৰৰ ওপৰত নিৰ্ভৰ কৰা নাছিল, আৰু কেৱল আল্লাহৰ অনুগ্ৰহৰ ওপৰতহে আশা ৰাখিছিল। হজৰত ইবনে আব্বাছ (ৰাঃ)-এ বৰ্ণনা কৰিছে যে যিকোনো বিপদ বা দুশ্চিন্তাৰ সময়ত তেখেত (ছাঃ) এ কৈছিল: **لَا اِلٰہَ اِلَّا ھُوَ رَبُّ الْعَرْشِ الْعَظِيْمِ لَا اِلٰہَ اِلَّا ھُوَ رَبُّ السَّمٰوٰتِ وَ رَبُّ الْاَرْضِ وَ رَبُّ الْعَرْشِ الْكَرِيْمِ** আল্লাহৰ বাহিৰে কোনো উপাস্য নাই, তেওঁ মহান আৰশ্বৰ (সিংহাসনৰ) প্ৰভু, আল্লাহৰ বাহিৰে কোনো উপাস্য নাই, তেওঁ আকাশমণ্ডলৰ প্ৰভু, তেওঁ পৃথিৱীৰ প্ৰভু, তেওঁ সন্মানীয় আৰশ্বৰ প্ৰভু। অৰ্থাৎ মোৰ সম্পূৰ্ণ ভৰসা আৰু বিশ্বাস কেৱল আল্লাহৰ ওপৰতহে।

হুজুৰ আনোৱাৰে কৈছে যে মক্কাৰ অংশীদাৰীসকলৰ (মুশ্বৰিকসকলৰ) বিভিন্ন সময়ত মহানবী (ছাঃ)লৈ প্ৰস্তাৱ আগবঢ়োৱা, অৰ্থাৎ বিভিন্ন ধৰণৰ প্ৰলোভন দিয়া আৰু নবী কৰিম (ছাঃ)-এ আল্লাহৰ ওপৰত অসাধাৰণ ভৰসা ৰাখি ইয়াৰ উত্তৰ দিয়াৰ কথা উল্লেখ কৰি কয় যে হজৰত মুছলেহ মাওউদ (ৰাঃ) এ এই ঐতিহাসিক ঘটনাসমূহৰ চিত্ৰায়ণ এনেদৰে কৰিছে:

যেতিয়া মহানবী (ছাঃ)-এ মানুহৰ মাজত আল্লাহৰ একত্ববাদৰ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু শ্বিৰ্কৰ (অংশীদাৰী প্ৰথাৰ) বিৰোধিতা কৰিবলৈ ধৰিলে, তেতিয়া মক্কাবাসীয়ে ইয়াক অতিশয় অপছন্দ কৰিলে। অৱশেষত এদিন তেওঁলোকে সন্মিলিত হৈ এটা প্ৰতিনিধি দল হিচাপে নবী কৰিম (ছাঃ)-ৰ খুৰা আবু তালিবৰ ওচৰলৈ আহিল আৰু তেওঁক ক'লে, "আপুনি আমাৰ জাতিৰ চৰ্দাৰ, আমি আপোনাক বহুত সন্মান কৰোঁ আৰু আপোনাৰ সন্মানৰ খাতিৰতে আমি আপোনাৰ ভতিজাকক একো কোৱা নাই। কিন্তু এতিয়া বিষয়টো সীমা অতিক্ৰম কৰিছে। আমি আপোনাৰ ওচৰলৈ আহিছোঁ যাতে আপুনি এই বিষয়ত আমাৰ ফালৰ পৰা তেওঁৰ সৈতে চূড়ান্ত কথা পাতে।"

তাৰ পিছত তেওঁলোকে সেই কথাবোৰৰ পুনৰাবৃত্তি কৰিলে যিবোৰ উতবাহ বিন ৰাবিয়াই মহানবী (ছাঃ)ক কৈছিল। অৰ্থাৎ উচ্চ পৰিয়ালৰ প্ৰলোভন, আটাইতকৈ ধুনীয়া মহিলাৰ প্ৰলোভন, ধন-সম্পত্তিৰ প্ৰলোভন, ৰাজত্বৰ প্ৰলোভন—এইবোৰৰ প্ৰলোভন দি তেওঁলোকে ক'লে, "তেওঁক কওক যে তেওঁ যেন আমাৰ মূৰ্তিবোৰক বেয়া বুলি নোকোৱাৰ সৌজন্যতাখিনি ৰক্ষা কৰে। আমি তেওঁক আমাৰ মূৰ্তিবোৰক মানি ল'বলৈ কোৱা নাই, আমি কেৱল ইয়াকে কৈছোঁ যে তেওঁ আমাৰ মূৰ্তিবোৰক বেয়া বুলি ক'ব নালাগে। যদি তেওঁ আমাৰ এই কথাবোৰৰ এটাও মানি নলয়, তেন্তে আপুনি তেওঁৰ লগ এৰি দিয়ক, আমি নিজেই তেওঁৰ সৈতে মোকাবিলা কৰিম।"

আবু তালিবে নবী কৰিম (ছাঃ)ক মাতি পঠিয়ালে আৰু তেওঁলোকৰ প্ৰস্তাৱবোৰৰ কথা উল্লেখ কৰি তেওঁলোকৰ দাবীটো তেওঁৰ আগত দাঙি ধৰি ক'লে যে, "তেও যিয়েই দাবী নকৰক কিয়, আমি সেয়া পূৰণ কৰিবলৈ সাজু আছোঁ, কেৱল তেওঁ আমাৰ মূৰ্তিবোৰক বেয়া বুলি ক'ব নালাগে।"

যেতিয়া নবী কৰিম (ছাঃ)-এ নিজৰ খুৰাৰ এই অৱস্থা দেখিলে, তেতিয়া তেওঁৰ উপকাৰসমূহ সুঁৱৰি তেখেত (ছাঃ) ৰ দুচকু চলচলীয়া হৈ পৰিল। কিন্তু তেখেতে (ছাঃ) এ ক'লে: "খুৰাদেউ! আপুনি মোক সহায় কৰিবই লাগিব বুলি মই কোৱা নাই, আপুনি নিসন্দেহে নিজৰ জাতিৰ লগ দিব পাৰে আৰু মোক এৰি দিব পাৰে। আল্লাহৰ শপত! যদি এই মানুহবোৰে সূৰ্য মোৰ সোঁহাতত আৰু চন্দ্ৰ মোৰ বাওঁহাতত আনি থৈ দিয়ে, তথাপিও মই আল্লাহৰ জিকিৰৰ (স্মৰণৰ) পৰা বিৰত নাথাকিম।"

হুজুৰ আনোৱাৰে কয় যে আল্লাহৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু ভৰসাৰ এইটো এনে এক স্তৰ যিটো আন ক'তো দেখা পোৱা নাযায়। এই ঘটনাৰ কথা উল্লেখ কৰি হজৰত আকদছ মছীহ মাওউদ আলাইহিছ ছালাতু ৱাছ ছালামে বৰ্ণনা কৰিছে যে যেতিয়া এই আয়াতসমূহ অৱতীৰ্ণ হৈছিল যে মুশ্বৰিকসকল ৰিজছ (অশুচি), অপৱিত্ৰ, শৰৰুল বাৰিয়্যাহ অৰ্থাৎ আটাইতকৈ নিকৃষ্ট সৃষ্টি, ছুফাহা অৰ্থাৎ নিৰ্বোধ লোক আৰু চয়তানৰ বংশধৰ; আৰু তেওঁলোকৰ উপাস্যবোৰ ৱাকুদুন-নাৰ অৰ্থাৎ জুইৰ খৰি আৰু নৰকৰ ইন্ধন, তেতিয়া আবু তালিবে মহানবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামক মাতি আনি ক'লে, "হে মোৰ ভতিজা! এতিয়া "তোমাৰ কথাৰ বাবে জাতিটো অত্যন্ত ক্ষুব্ধ হৈ পৰিছে আৰু এনে অৱস্থা হৈছে যে তেওঁলোকে তোমাক হত্যা কৰিব আৰু লগতে মোকো। তুমি তেওঁলোকৰ জ্ঞানী লোকসকলক মূৰ্খ আখ্যা দিলা, তেওঁলোকৰ জ্যেষ্ঠসকলক আটাইতকৈ নিকৃষ্ট বুলি ক'লা আৰু তেওঁলোকৰ উপাস্য দেৱতাসকলক নৰকৰ খৰি (জাহান্নামৰ ইন্ধন) আৰু

ৱাকুদ্-উন-নাৰ বুলি নামাকৰণ কৰিলা। তদুপৰি সাধাৰণভাৱে সেই সকলোকে অপৱিত্ৰ, চয়তানৰ বংশধৰ আৰু লেতেৰা বুলি সাব্যস্ত কৰিলা। মই তোমাৰ মংগলৰ বাবেই কৈছোঁ যে নিজৰ জিভাখন সংযত কৰা আৰু এনে কথা কোৱাৰ পৰা বিৰত থকা, অন্যথা জাতিটোৰ মুখামুখি হ'বলৈ মোৰ শক্তি নাই।"

ইয়াৰ উত্তৰত হজৰত মহম্মদ (ছঃ)-এ ক'লে, "হে খুৰা! এইবোৰ কটু কথা নহয়, বৰঞ্চ এয়া বাস্তৱ সত্যৰ প্ৰকাশ আৰু যথাস্থানত প্ৰকৃত অৱস্থাৰ বৰ্ণনাহে। এইটো কামৰ বাবেই মোক প্ৰেৰণ কৰা হৈছে। যদি ইয়াৰ বাবে মোৰ মৃত্যুও আহে, তেন্তে মই আনন্দেৰে এই মৃত্যুক আকোৱালি ল'ম। মোৰ জীৱন এই পথতেই উছৰ্গিত। মৃত্যুৰ ভয়ত মই সত্য প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিব নোৱাৰোঁ। হে খুৰা! যদি আপুনি নিজৰ দুৰ্বলতা আৰু কষ্টৰ কথা ভাবি চিন্তিত, তেন্তে আপুনি মোক আশ্ৰয় দিয়াৰ পৰা বিৰত থাকক। আল্লাহৰ শপত! মোৰ আপোনাৰ কোনো প্ৰয়োজন নাই (অৰ্থাৎ আপোনাৰ সুৰক্ষাৰ প্ৰয়োজন নাই)। মই আল্লাহৰ নিৰ্দেশনা প্ৰচাৰ কৰাৰ পৰা কেতিয়াও পিছুৱাই নাহোঁ। মোৰ প্ৰতিপালকৰ আদেশ মোৰ বাবে মোৰ জীৱনতকৈয়ো অধিক প্ৰিয়। আল্লাহৰ শপত! যদি এই পথত মোক হত্যা কৰা হয়, তেন্তে মই বিচাৰিম যে বাৰে বাৰে পুনৰ্জীৱিত হৈ অনন্তকাল ধৰি এই পথতেই মৃত্যুবৰণ কৰি থাকোঁ। এয়া ভয় কৰিবলগীয়া কথা নহয়, বৰঞ্চ তেওঁৰ পথত কষ্ট সহ্য কৰাত মই অসীম আনন্দহে পাওঁ।"

হজৰত মহম্মদ (ছঃ)-এ এইদৰে কৈ থকাৰ সময়ত তেওঁৰ চেহেৰাত সত্যতা আৰু পোহৰেৰে পূৰ্ণ এক আৱেগিক জ্যোতি জিলিকি উঠিছিল। যেতিয়া তেওঁ এই কথাখিনি কৈ শেষ কৰিলে, তেতিয়া সত্যৰ এই পোহৰ দেখি আবু তালিবৰ দুচকুৰে স্বতঃস্ফূৰ্তভাৱে চকুপানী নিগৰি ওলাইছিল আৰু তেওঁ ক'লে, "মই তোমাৰ এই উচ্চ মৰ্যাদাৰ বিষয়ে অজ্ঞাত আছিলো। তুমি এক অনন্য ৰূপ আৰু অনন্য মৰ্যাদাত আছা। যোৱা! নিজৰ কামত লাগি থাকা। যিমান দিনলৈকে মই জীয়াই আছোঁ আৰু মোৰ দেহত যিমান শক্তি আছে, মই তোমাৰ লগতে থাকিম।"

একেদৰেই তায়েফৰ পৰা উভতি অহাৰ সময়ত হজৰত মহম্মদ (ছঃ)-ৰ আল্লাহৰ ওপৰত থকা অটল বিশ্বাস (তাৱাক্কুল)-ৰ আন এক নিদৰ্শন আছে। তেওঁ অকলশৰীয়া, তায়েফৰ নেতাসকলক ইছলামৰ বাণী প্ৰচাৰ কৰিবলৈ গৈছিল, যিসকলে অত্যাচাৰৰ সকলো সীমা পাৰ কৰিছিল। তাৰ পৰা উভতি অহাৰ সময়ত বাহ্যিকভাৱে মক্কাত প্ৰৱেশ কৰাৰ কোনো উপায় নাছিল। লগত মাত্ৰ এজন সেৱক আছিল। সেৱকজন চিন্তিত হৈ পৰিছিল যে এতিয়া কি হ'ব? কিন্তু তেওঁৰ (নবীৰ) নিজৰ প্ৰতিপালকৰ ওপৰত পূৰ্ণ আস্থা আৰু বিশ্বাস আছিল। এই প্ৰসংগতে সেই সেৱকজন, অৰ্থাৎ হজৰত জায়েদ বিন হাৰছা (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, "যেতিয়া মই তেখেতক সুধিলোঁ, 'হে আল্লাহৰ ৰছুল (ছাঃ)! এতিয়া আপুনি মক্কাত কেনেকৈ প্ৰৱেশ কৰিব, যিহেতু তেওঁলোকে আপোনাক উলিয়াই দিছে?' তেতিয়া আল্লাহৰ ৰছুল (ছাঃ)-এ কিমান সুন্দৰ আত্মবিশ্বাসেৰে উত্তৰ দিছিল, 'হে জায়েদ! তুমি দেখিবা, আল্লাহ তা'লাই নিশ্চয় কোনোবা এটা পথ উলিয়াই দিব। আৰু আল্লাহ তা'লা নিজৰ ধৰ্মৰ সহায়ক। তেওঁ নিজৰ নবীক অৱশ্যেই বিজয়ী কৰিব।'

সেইমতে, নবী কৰীম (ছঃ)-এ কুৰাইশ্ব নেতাসকললৈ বাৰ্তা পঠিয়ালে যাতে তেওঁলোকে তেওঁক নিজৰ আশ্ৰয়ত লৈ মক্কাত প্ৰৱেশ কৰাৰ ব্যৱস্থা কৰে। আটাইবোৰ নেতায়েই অস্বীকাৰ কৰিলে। অৱশেষত মুতয়িম বিন আদী নামৰ এজন ভদ্ৰ নেতাই তেওঁক নিজৰ আশ্ৰয়ত মক্কাত প্ৰৱেশ কৰাৰ কথা ঘোষণা কৰিলে।

হিজৰত (প্ৰব্ৰজন) ৰ সময়ত আল্লাহৰ ওপৰত থকা অটল বিশ্বাসৰ নিদৰ্শন কেনেকুৱা আছিল? যেতিয়া হজৰত মহম্মদ (ছঃ)-এ হিজৰতৰ অনুমতি পালে, তেতিয়া তেওঁ হজৰত আলী (ৰাঃ)-ক নিজৰ হিজৰতৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰাৰ লগতে তেওঁৰ হাতত এক আত্মত্যাগৰ কাম অৰ্পণ কৰিলে। কামটো আছিল যে সেই নিশা তেওঁ (আলীয়ে) নবী (ছাঃ)-ৰ পৱিত্ৰ বিচনাত শুব লাগিব। এক বৰ্ণনা অনুসৰি, তেওঁ এখন ৰঙা ৰঙৰ হজৰমী চাদৰ উৰি শুব, যিখন কাপোৰ নবী কৰীম ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে নিজে গাত লৈ শুইছিল, সেইখন তেওঁৰ প্ৰাণোৎসৰ্গী সেৱকক দি ঐশ্বৰিক সহায় আৰু নিৰাপত্তাৰ আশ্বাস দি তেখেত ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে ক'লে যে চিন্তা নকৰিবা আৰু মোৰ বিচনাত আৰামেৰে শুই থাকা, শত্ৰুৱে তোমাৰ এডাল চুলিও লৰাব নোৱাৰে।

ইয়াৰ পিছত পবিত্ৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম নিজৰ ঘৰৰ পৰা ওলাই আহিছিল, আনহাতে মক্কাৰ কাফিৰসকলৰ নিৰ্বাচিত বীৰসকলে, যাৰ চকুত যেন তেজ বিৰিঙি আছিল, হাতত তৰোৱাল লৈ নবী কৰীম ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ঘৰৰ বাহিৰত তীক্ষ্ণ দৃষ্টিৰে পহৰা দি আছিল যে কেতিয়া ৰাতি গভীৰ হ'ব, তেতিয়া আমি আক্ৰমণ কৰি একে ঘাপতে ৰছুল কৰীম ছাল্লাল্লাহু আলাইহি

ৰাছাল্লামক শেষ কৰি দিম (নাউজুবিল্লাহ)! আৰু আবু জেহেল যি তেওঁলোকৰ দলপতি আছিল, বৰ অহংকাৰ আৰু উপহাসৰে কৈছিল যে মহম্মদ (ছাল্লাল্লাহু আলাইহি ৰাছাল্লাম)-এ কয় যে যদি তোমালোকে তেওঁৰ কথাত তেওঁক অনুসৰণ কৰা, তেন্তে তোমালোক আৰব আৰু আজম (অনা-আৰব)ৰ ৰজা হ'বা, তাৰ পিছত মৃত্যুৰ পাছত তোমালোকক পুনৰ জীৱিত কৰা হ'ব, তেতিয়া তোমালোকৰ বাবে জৰ্ডানৰ বাগিচাৰ দৰে বাগিচা বনোৱা হ'ব; আৰু যদি তেনে নকৰা, তেন্তে তোমালোকৰ মাজত হত্যা আৰু লুণ্ঠন চলিব।

তেখেত ছাল্লাল্লাহু আলাইহি ৰাছাল্লাম বাহিৰলৈ ওলাই আহিল আৰু ক'লে, "হয়! মই তেনেকৈয়ে কওঁ।" আৰু ছূৰা য়াছিনৰ দুইৰ পৰা দহ নম্বৰ আয়াত পাঠ কৰি আৰু তেওঁলোকৰ মূৰত ধূলি ছটিয়াই তেওঁলোকৰ সন্মুখেৰেই ওলাই গ'ল। কিন্তু আল্লাহৰ কুদৰত (মহিমা) যে তেখেত যোৱাৰ সময়ত কোনেও তেখেতক দেখা নাপালে, বৰঞ্চ তেওঁলোকে মাজে মাজে ভিতৰলৈ জুমি চাই নিশ্চিত হৈছিল যে মহম্মদ (ছাল্লাল্লাহু আলাইহি ৰাছাল্লাম) তেওঁৰ বিচনাতেই আছে।

খোতবাৰ শেষত হুজুৰ আনোৱাৰে কয় যে হিজৰতৰ ঘটনা আৰু তেখেত (ছাঃ)ৰ তাৱাক্কুল (ভৰসা) আৰু সাহসৰ কথা উল্লেখ কৰি হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱাচ্ছালামে কয় যে হজৰত আবু বকৰ ছিদ্দিক ৰাজিয়াল্লাহু আনহুৰ সততা সেই জুইৰ সময়ত প্ৰকাশ পাইছিল যেতিয়া নবী ছাল্লাল্লাহু আলাইহি ৰাছাল্লামক অৱৰোধ কৰা হৈছিল। এনে অৱস্থাত হজৰত আবু বকৰ ৰাজিয়াল্লাহু আনহুৱে নিজৰ সততা আৰু আনুগত্যৰ এনে এক নিদৰ্শন দাঙি ধৰিছিল যি অনন্তকাললৈকে এক আদৰ্শ হৈ ৰ'ব, শত্ৰু গুহাৰ কাষত উপস্থিত আছে আৰু বিভিন্ন ধৰণৰ জল্পনা-কল্পনা চলি আছে। কোনোবাই কৈছে যে এই গুহাটোত অনুসন্ধান চলোৱা হওক কাৰণ ভৰিৰ খোজ ইয়াতেই শেষ হৈছে, কিন্তু তেওঁলোকৰ মাজৰ একাংশই কৈছে যে ইয়াত মানুহ কেনেকৈ সোমাব পাৰে? মকৰাই জাল গুঠি থৈছে, পাৰ চৰাইয়ে কণী পাৰি থৈছে, এনেধৰণৰ কথা-বতৰাৰ শব্দ ভিতৰলৈ গৈ আছিল, আৰু তেখেত (ছাঃ) এ বৰ স্পষ্টকৈ সেইবোৰ শুনি আছিল। এনে পৰিস্থিতিত শত্ৰুসকল আহি উপস্থিত হৈছিল যিসকলে তেওঁলোকক নিঃশেষ কৰিব বিচাৰিছিল আৰু উন্মাদনাৰ দৰে আগবাঢ়ি আহিছিল। কিন্তু তেখেত (ছাঃ) ৰ অসীম সাহস চাওক যে শত্ৰু মূৰৰ ওপৰত আছে আৰু তেখেত (ছাঃ) নিজৰ সত্যনিষ্ঠ সংগী ছিদ্দিক ৰাজিয়াল্লাহু আনহুক কৈ আছে: لَا تَحْزَنْ اِنَّ اللّٰہَ مَعَنَا (নিৰাশ নহ'বা, নিশ্চয় আল্লাহ আমাৰ লগত আছে)। এই শব্দবোৰে বৰ স্পষ্টকৈ প্ৰকাশ কৰে যে এই কথা মুখেৰেই কৈছিল, কাৰণ ইয়াৰ বাবে মাতৰ প্ৰয়োজন, ইংগিতেৰে কাম নচলে। বাহিৰত শত্ৰুৱে পৰামৰ্শ কৰি আছিল আৰু গুহাৰ ভিতৰত খাদিম আৰু মখদুম (সেৱক আৰু গৰাকী) কথা-বতৰাত ব্যস্ত হৈ আছে। শত্ৰুৱে মাত শুনিব বুলি ভ্ৰূক্ষেপ কৰা নাছিল। এয়া আল্লাহ তা'লাৰ ওপৰত পূৰ্ণ ঈমান আৰু মাৰুফত (জ্ঞান)ৰ প্ৰমাণ। আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতিৰ ওপৰত সম্পূৰ্ণ ভৰসা।

اَللّٰھُمَّ صَلِّ عَلٰی مُحَمَّدٍ وَّبَارِکْ وَسَلِّمْ -

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَاۤ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ -

Assamese Khulasa Khutba Hazur Anowar 11 sep 2026

Nazarat Nashr-O-Ishaat Qadian